# ECHO OF HIS CALL

# আহ্বানৰ প্ৰতিধ্বনি

ASSAMESE

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. Bornali Thapa Raj

VOL. XXI  YEAR OF OUR LORD JESUS CHRIST, 2021 FEBRUARY  No: 9


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

গীতমালা ৩৭ঃ১-১০

১। তুমি দুৰাচাৰীবোৰৰ বিষয়ে বেজাৰ নাপাবা, কুকৰ্মীহতলৈ অসূয়া নকৰিবা।

২। কিয়নো সিঁহত ঘাঁহৰ দৰে অলপতে কটা যাব, কুমীলা তৃণৰ নিচিনাকৈ জঁয় পৰিব।

৩। যিহোৱাত ভাৰসা ৰাখা আৰু সুকৰ্ম কৰা দেশত বাস কৰা আৰু বিশ্বস্ততাৰূপ পথাৰত চৰা।

৪। যিহোৱাত হৰ্ষ কৰা; তাতে তেওঁ তোমাৰ মনৰ বাঞ্ছা পূৰ কৰিব।

৫। তোমাৰ পথ যিহোৱাত সমৰ্পন কৰা আৰু তেওঁত ভাৰসা ৰাখা; তাতে তেৱেঁই কাৰ্য্য সিদ্ধ কৰিব।

৬। তেওঁ তোমাৰ ধাৰ্মিকতা দিপ্তীৰ দৰে প্ৰকাশ কৰিব আৰু দুপৰীয়াৰ নিচিনাকৈ তোমাৰ ন্যায় বিচাৰ প্ৰকাশ কৰিব।

৭। যিহোৱাৰ আগত শান্তভাৱে থাকি তেওঁলৈ অপেক্ষা কৰা, যি মানুহ নিজ পথত কৃতকাৰ্য্য হয়, তাৰ বিষয়ে বেজাৰ নাপাবা; যেয়ে নিজ কুকল্পনা সিদ্ধ কৰে তালৈ তুমি অসন্তোষ্ট নহ'বা।

৮। ক্ৰোধ এৰা, কোপ ত্যাগ কৰা, বেজাৰ নকৰিবা, কেৱল হানিহে হয়।

৯। কিয়নো দুষ্টবোৰ উচ্ছন্ন হ'ব, কিন্তু যিহোৱালৈ অপেক্ষা কৰোতাবিলাক হ'লে, পৃথিৱীৰ অধিকাৰী হ'ব।

১০। কিয়নো অলপতে দুষ্ট লোক নাইকিয়া হ'ব; তুমি তাৰ ঠাইত যত্নেৰে বিচাৰিলেও তাক নাপাবা।

## ঈশ্বৰৰ সন্তানৰ উত্তৰাধিকাৰী !

## THE INHERITANCE OF GOD'S CHILDRENS!

(কেন্দ্ৰ মণ্ডলীত পালক এচ, চাম ছেলভা ৰাজে দিয়া বাৰ্তা)

**"কিন্তু হে যাকোব, তোমাৰ সৃষ্টিকৰ্তা যিহোৱাই আৰু হে ইস্ৰায়েল, তোমাৰ নিমাণকৰ্তাই এইদৰে কৈছে, ভয় নকৰিবা, কিয়নো মই তোমাক মুক্ত কৰিলোঁ; মই তোমাৰ নাম ধৰি তোমাক মাতিলোঁ, তুমি মোৰেই (যিচয়া ৪৩ঃ১)।**

ইয়াত আমি ঈশ্বৰৰ আচৰিত প্ৰতিজ্ঞাৰ বিষয়ে দেখি পাওঁ। এই প্ৰতিজ্ঞা পৃথিৱীৰ সকলো মানুহৰ বাবে নহয়। পবিত্ৰ বাইবেলত আমি যিমানেই প্ৰতিজ্ঞাবোৰক পাওঁ, সেই সকলোবোৰ ঈশ্বৰৰ সন্তানৰ বাবে হয়। অধিক স্পষ্টকৈ ক'বলৈ গ'লে, এই প্ৰতিজ্ঞাসমূহ যি মানুহবিলাকে প্ৰভু যীচু খ্ৰীষ্টক নিজৰ ব্যক্তিগত জীৱনত ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছে, তেওঁৰ আজ্ঞাসমূহ পালন কৰি পবিত্ৰ জীৱন-যাপন কৰে আৰু যিবিলাকে 'নতুন মন কৰাৰ দ্বাৰাই আন ৰূপ ধৰা'ৰ অভিজ্ঞতা লাভ কৰিছে (ৰোমীয়া ১২ঃ২)।

কোনো এজন ব্যক্তি সমাজত এজন বিখ্যাত লোক হ'ব পাৰে বা ৰাজনীতিৰ নেতা হ'ব পাৰে, কিন্তু তেওঁ এই আশীৰ্বাদ নাপায়। কিয়নো ওপৰত উল্লেখ কৰা হৈছে যে, এই আশীৰ্বাদক তেওঁলোকে পাব যিবিলাকে নতুন মন কৰাৰ দ্বাৰাই আন ৰূপ ধৰে। এনে ধৰণৰ মানুহবিলাকৰ হৃদয় সকলোধৰণৰ অসূয়া আৰু মন্দ চিন্তাৰ পৰা মুক্ত থাকে আৰু এটা পৰিস্কাৰ চিন্তা থাকে। নতুন মন পাবলৈ হ'লে, যীচুৰ বাহিৰে আন কোনোৱেও দিব নোৱাৰে। যীচু খ্ৰীষ্টই যিদৰে এজন ব্যক্তিক আচৰিত ধৰণে পৰিৱৰ্তন কৰে। সম্পত্তিয়ে হওক বা খ্যাতি নাম হওক বা আন আন জাগতিক বস্তুৱে হওক বা জগতৰ যিকোনো শক্তিয়ে এজন মানুহক পৰিৱৰ্তন কৰিব নোৱাৰে। যীচুক বিশ্বাস কৰক আৰু পৰিৱৰ্তন হওক। যিবিলাকে আপোনাক দেখিব তেওঁবিলাকে আপোনাক ভাৰসা কৰিববলৈ দিয়ক। যিবিলাকে আপোনাক দেখিব তেওঁবিলাকে আপোনাক প্ৰেম কৰিব।

এবাৰ মোৰ পালক, জি, সুন্দাৰামে এটা ঘটনাক বৰ্ণনা কৰি কৈছিল। পৰিয়ালটোৰ ল'ৰাজনে নিজৰ পিতৃ-মাতৃক ত্যাগ কৰি ঘৰ এৰি যাবলৈ বিচাৰিছিল, কিয়নো তেওঁ বেয়া সঙ্গৰ জালত পৰিছিল। যদিও তেওঁৰ পিতৃ-মাতৃয়ে তেওঁক এইদৰে নকৰিবলৈ পৰামৰ্শ দিছিল,

২পৃষ্ঠাত চাওঁক

# ECHO OF HIS CALL

**2019 - GOLDEN JUBILEE YEAR**

**OUR MISSION POLICY**

We should expound and teach the contemporary generation the undiluted teachings of the ancient and early Apostles. It is the need of the hour.






*from Editors...*

**"যুজ দিনৰ নিমিত্তে ঘোঁৰা সজোৱা হয়; কিন্তু জয় যিহোৱাৰ, পৰাহে হয়" (হিতোপদেশ ২১ঃ৩১)।**

খ্রীষ্ট যীচুত মোৰ প্রিয় বন্ধু,

আমাৰ প্রভু আৰু ত্রাণকর্তা যীচু খ্রীষ্টৰ নামত শুভেচ্ছা জনালো।

আপুনি কেনে আছে? যেতিয়া আপোনাৰ বিষয়ে আমি ভাবো আমাৰ হৃদয় আনন্দেৰে পৰিপূর্ণ হয় আৰু ঈশ্বৰে যিদৰে আমাক স্বৰ্গীয় প্রেমত একত্রিত কৰি ৰাখিছে ইয়াতো আনন্দ পাওঁ। হয় আমাৰ সম্পর্কটো জগতৰ নহয় কিন্তু অনন্তকলীয়া হয়। আপুনি শুনি আচৰিত হ'ব যে আমি আপোনাক আৰু ওপৰৰ অনুগ্ৰহৰ সিংহাসনত থকা আপোনাৰ প্রিয়জনকো কেতিয়াও নাপাহৰো। আপোনাৰ জীৱনৰ সকলো প্রান্তত ঈশ্বৰে আশীর্বাদ কৰিব আৰু ৰক্ষা কৰিব। তেওঁ নিশ্চয় আপোনাৰ, আপোনাৰ প্রিয়জনৰ আৰু সম্পত্তিৰ চাৰিওফালে সীমা লগাই দিব। ঈশ্বৰে আপোনাক কেতিয়াও নাপাহৰিব আৰু পৰিত্যাগ নকৰিব। আৰু প্রভু ঈশ্বৰ যীচু খ্রীষ্টই কয় ঃ ..."মই তোমাৰ সৈতে মোৰ নিয়মটি স্থাপন কৰিম; তাতে মই যে যিহোৱা, তাক তুমি জানিবা" (যিহিস্কেল ১৬ঃ৩২)

পৃথিৱীৰ বিভিন্ন প্রান্তৰ মানুহবিলাকে লোকচান ভোগাৰ বাতৰি আমি পাই আছো। কিন্তু এই মহামাৰীৰ সময়তো ঈশ্বৰে আমাক ৰক্ষা কৰি ৰাখিছে। গতিকে আমি তেওঁৰ কৃতজ্ঞ হ'ব লাগিব।

আমাৰ মিশ্বন ক্ষেত্রত আমি আমাৰ মণ্ডলীসমূহৰ, তেওঁৰ আহ্বানৰ প্রতিদিনৰ বিতৰণ, চেইণ্ট পৌলচ মেট্রিকুলেচন স্কুল, নহিমিয়া বাইবেল কলেজ, বিব্লেকৰ-ডাক যোগাযোগ পাঠ্যক্রম, প্রশাসন, আর্থিক আদিৰ যত্ন লোৱাত ব্যস্ত হৈ আছো। বিভিন্ন প্রতিকুল পৰিস্থিতিৰ মাজতো আমাৰ প্রতিদিনৰ কার্য্যকলাপত ঈশ্বৰৰ হাতে কৰা কার্য্যক আমি সাক্ষ্য দিব পাৰিছো। আমি দেখি আছো যে, পৃথিৱীৰ সাধাৰণ মানুহবিলাকৰ মানসিকতাত মহামাৰীয়ে প্রভাৱ কৰাত ভয় আৰু জীৱনত নিৰাপত্তাৰ অভাৱ সৃষ্টি হৈছে। আমিও আর্থিক দিশত সমস্যাৰ সন্মুখীন হৈছো। কিন্তু আমাৰ জীৱিত ত্রাণকর্তাৰ এটা আলৰ প্রতিজ্ঞা আমাৰ আছে যে, "...তেওঁলোকৰ পক্ষে সকলোৱেই মঙ্গলৰ অর্থে একে লগে কার্য্য কৰিছে" (ৰোমীয়া ৮ঃ২৮)।

আপোনালোকৰ সেৱক,
পালক, চাম আৰু চেমচন।

(প্রথম পৃষ্ঠাৰ পৰা)

তেওঁ নুশুনিলে। তেওঁৰ মাতৃয়ে তেওঁক বহুত কাতৰোক্তি কৰিলে তথাপি তেওঁ নুশুনিলে। অৱশেষত, তেওঁৰ মাতৃয়ে তেওঁক ক'লে, "পুত্র তোমাৰ চোলাত মোক কিছুমান বাক্য চিলাই দিবলৈ দিয়া, "তোমাক অনুৰোধ কৰিছো তুমি এই চোলাটো যিকোনো পৰিস্থিতিত পিন্ধিবা। "মই ৰাজকীয় তেজৰ অধীনত আছো" এইদৰে তেওঁৰ মাতৃয়ে

**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th.,M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.

**Hd. Qrs. CO-ORDINATORS**
Bro. John Rodrigues
Sis. E. Daisy Rani

**ADVISORY BOARD**
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L

**PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street
Chepauk, Chennai- 600 005, India.

**Phone :** (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
**Cell :** (+91) 98410 71852, 95661 31858
**E-mail :** sam@echoofhiscall.org
biblecor@yahoo.co.in

**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) ¤ BIBLECOR - Postal Courses (3 languages) ¤ Theological Correspondence Courses (2 languages) ¤ Church Planting ¤ Nehemiah Bible Colleges ¤ Gospel Printing Press ¤ Great Commission Partners ¤ St. Paul's Matriculation School ¤ Crusades ¤ Community Development

চোলাত চিলাই দিলে। তেওঁ সেই চোলাটো পিন্ধিলে। যিদৰে আমি বাইবেলত অপব্যয় পুত্ৰৰ বিষয়ে পঢ়িবলৈ পাওঁ, এই ল'ৰাজনে তেওঁৰ আটাই টকা ব্যয় কৰিলে, তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিল আৰু তেওঁৰ মৃতপ্ৰায় অৱস্থা হ'ল। সেইসময়ত তেওঁৰ চোলাত লিখা বাক্যবোৰে তেওঁৰ পিতৃ-মাতৃক গ্ৰহণ কৰালে আৰু তেঁৰো পৰিয়ালত যোগ হ'ল।

যেতিয়া ইজ্ৰাই বাবিলৰ পৰা যিৰূচালেমলৈ আহিছিল, ইস্ৰায়েল লোকবিলাকৰ অৱস্থা তেওঁ দেখিছিল। তেওঁ দেখিলে, এই 'পবিত্ৰ বংশ'ই নানা দেশীয় জাতিবিলাকে সৈতে মিহলি হৈছে (ইজ্ৰা ৯ঃ২)।

মোৰ প্ৰিয় ঈশ্বৰৰ সন্তানসকল, আপোনালোকেও হয়তো পাহৰি গৈছে যে আপোনালোক স্বৰ্গীয় পিতৃৰ সন্তান হয় আৰু লেতেৰা পাপবোৰত লিপ্ত হৈ আছে। গোপনে হ'ব পাৰে আপুনি কিছুমান পাপ কৰি আছে। এতিয়া আপুনি এই মণ্ডলীত কিয় আছে? ঈশ্বৰে কয়, "মই আনকি তুমি তোমাৰ মাতৃৰ গৰ্ভত থকা সময়ৰ পৰা তোমাক মনোনীত কৰিলো আৰু গতিকে তুমি এই মণ্ডলীলৈ আহিব লাগিব।"

হয় প্ৰিয়, এই পৃথিৱীৰ সৃষ্টিৰ আগৰে পৰা আমাৰ প্ৰভু ঈশ্বৰে আপোনাক মনোনীত কৰিছে। গতিকে নিজকে তুচ্ছ জ্ঞান নকৰিব। আপুনি এজন বিশেষ দৰকাৰী লোক হয়। দায়ুদৰ দৰে আপুনিও ঈশ্বৰক ক'ব পাৰে, "তুমি মোৰ পাবলগীয়া অংশ" (গীতমালা ১১৯ঃ৫৭)। গতিকে ঈশ্বৰেও আপোনাক চাই কয়, "তুমি মোৰ হোৱা"। জগতে আপোনাক বেয়াকৈ ব্যৱহাৰ কৰিব পাৰে; ইয়ে আপোনালৈ অনিষ্ট আনিব পাৰে। কিন্তু যিজন ঈশ্বৰে আপোনাক আহ্বান কৰিছে তেওঁ বিশ্বাসী। তেওঁ এজন উত্তম ঈশ্বৰ হয় আৰু তেওঁ বিশ্বাসৰ যোগ্য হয়।

যিজন ঈশ্বৰে এই পৃথিৱী সৃষ্টি কৰিছে সেইজনা ঈশ্বৰৰ দ্বাৰাই আপোনাক নাম লৈ আহ্বান কৰা হৈছে। আপোনাক হয়তো আপোনাৰ পিতৃ-মাতৃয়ে আপোনাক নামাকৰণ কৰিছে। কিন্তু এই নামটো আপুনি মাতৃৰ গৰ্ভত থকা সময়ৰে পৰা যিজনা ঈশ্বৰে আপোনাক মনোনীত কৰিছে সেই একেজনা ঈশ্বৰে আপোনাৰ নাম দিছে। এবাৰ মই মোৰ মাতৃক সুধিছিলো, 'তুমি মোৰ নাম কিয় চাম ছেলভা ৰাজ ৰাখিছিলা?' তেওঁ মোক ক'লে যে মই এই পৰিয়ালৰ সম্পত্তি আছিলো।

হয়, চামূৱেল এজন মহান ভাববাদী আছিল। 'ছেলভা ৰাজ'ৰ অৰ্থটো হৈছে 'সকলো সম্পত্তিৰ ৰজা'। মই শুনি আনন্দিত হৈছিলো কিয়নো এনে ধুনীয়া নাম মোক দিয়া হৈছিল।

এজন জ্যেষ্ঠ প্ৰচাৰকে কৈছিল, "আমি মাতৃৰ গৰ্ভত থকাৰ সময়ত আমাৰ প্ৰভু ঈশ্বৰে আমাৰ প্ৰত্যেকৰ নাম দিছিল।" গতিকে, মই বুজিছো যে মোৰ প্ৰভু ঈশ্বৰহে মোৰ নাম 'চাম ছেলভা ৰাজ' বুলি দিছে। একেজন প্ৰভু ঈশ্বৰে আপোনাৰো নাম দিছে।

প্ৰভুৰ দূত এজনে যোচেফক দৰ্শন দি ক'লে। "তেওঁ (মৰিয়মে) এটি পুত্ৰ প্ৰসৱ কৰিব আৰু তুমি তেওঁৰ নাম যীচু থবা, কাৰণ তেৱেঁই নিজৰ লোকক তেওঁবিলাকৰ পাপবোৰৰ পৰা ত্ৰাণ কৰিব (মথি ১ঃ২১)" 'যীচুৰ' অৰ্থ হৈছে 'তেওঁ তেওঁৰ মানুহবিলাকক তেওঁলোকৰ পাপৰ পৰা ৰক্ষা কৰিব।' আমি লূক ১ঃ১২ পদতো লক্ষ্য কৰি পাওঁ যে এজন দূতে জখৰিয়াক দৰ্শন দি ক'লে, তোমাৰ পুত্ৰৰ নাম 'যোহন' থবা।'

গতিকে, যেতিয়া আপোনালোক পিতৃ-মাতৃয়ে নিজ সন্তানবিলাকৰ নাম দিয়ে তেতিয়া সৰ্বশক্তিমান ঈশ্বৰলৈ শুনা উচিত আৰু প্ৰভুৱে কোৱাৰ দৰে নাম দিয়ক। তেওঁ আপোনালোকৰ মনত কথা ক'ব। আপোনালোকৰ সন্তানবিলাকৰ নাম স্বৰ্গীয় পুস্তকত লিখা আছে।

এদিন আহিব যেতিয়া প্ৰভু ঈশ্বৰে আমাৰ প্ৰত্যেকৰে নাম ধৰি মাতিব। প্ৰত্যেকৰ নাম পুস্তকত লিখা আছে। আপুনি সাধাৰণ নহয়। ঈশ্বৰে আপোনাক কয়, "তুমি জলসমূহৰ মাজেদি গমন কৰিলে মই তোমাৰ লগত থাকিম, আৰু তুমি নদীবোৰৰ মাজেদি গ'লে সেইবোৰে তোমাক তল নিনিয়াব; আৰু জুইৰ মাজেদি চলিলে তুমি দগ্ধ নহ'বা, তাৰ শিখাই তোমাক নুপুৰিব। হয়, কষ্ট, সমস্যা আৰু বেজাৰবোৰে আপোনাক কেতিয়াও অনিষ্ট কৰিব নোৱাৰে। আপুনি ভাবিব পাৰে, "অ, এই কষ্টৰ সময়ৰ মাজত জীয়াই আছো আৰু মই ভয়ানক ৰোগত ভুগি আছো।"

কিন্তু যিজন ঈশ্বৰে আপোনাক আহ্বান কৰিছে, তেওঁ কয়, "যেতিয়া তুমি পানীৰ মাজেদি যোৱা, মই তোমাৰ সৈতে থাকিম।"

শুনক, আনবিলাকৰ দৰে আপুনিও নৈৰ মাজেদি যাব লগা হ'ব পাৰে। আপুনিও জুইৰ মাজেদি যাব লগা হ'ব পাৰে। কিন্তু ঈশ্বৰে আপোনাক সেইবোৰৰ দ্বাৰাই নষ্ট হ'বলৈ নিদিব।

দ্বিতীয়তে, আমি ৪৩ঃ৩ পদত পঢ়িবলৈ পাওঁ, "কিয়নো মই তোমাৰ ঈশ্বৰ যিহোৱা, ইস্ৰায়েলৰ পবিত্ৰ জনা, তোমাৰ ত্ৰাণকৰ্তা; মই তোমাৰ মুক্তিৰ মূল্যস্বৰূপে মিচৰ আৰু তোমাৰ সলনি কুচ আৰু চবা দিলো। আমি ঈশ্বৰৰ সন্তান আৰু আমি কেতিয়াও দৰিদ্ৰতাত নাথাকিম, ধাৰত পোত খাই নাযাম। আমি কিয় গীৰ্জালৈ আহো? ঈশ্বৰলৈ দান, প্ৰাৰ্থনা আৰু লঘোণ কিয় দিওঁ? এই সকলোবোৰে আপোনাক খ্ৰীষ্টলৈ আনে? সকলো সম্পত্তি আৰু সান্ত্বনাবোৰে ঈশ্বৰক প্ৰেম কৰা বিলাকলৈ আহে। আমি মথি ৬ঃ৩৩ পদত পাওঁ, "কিন্তু তোমালোকে প্ৰথমে তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচৰা; তাতে এই সকলো ও তোমালোকক দিয়া হ'ব।"

যদিও মই এটা চুটি আৰম্ভণিৰ পৰা আহিছো, ঈশ্বৰে এতিয়া এইদৰে মোক আশীৰ্বাদ কৰিছে। তেওঁ আমাক পূৰ্বে নিৰ্ধাৰিত কৰিছে, আমাৰ নাম লৈ আমাক কৰিছে আহ্বান আৰু যদি আমি তেওঁক দৃঢ়ভাৱে ধৰি ৰাখো, তেওঁ আমাক মিচৰ আৰু চবাক মুক্তিপণৰ দৰে দিব।

আমি বহুত মানুহৰ দুখঃজনক অন্ত হোৱা দেখিছো। যদিও তেওঁবিলাকে জনপ্ৰিয় ব্যক্তিত্ব আৰু ধনী লোকৰ দৰে থাকে তেওঁবিলাকে দুখঃজনক

*তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাবিলাক তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী আপোনাৰ দৰে পঢ়ুৱৈ আৰু স্ব-ইচ্ছাৰে বৰঙণি দিয়া লোকসকল আৰু আমাৰ প্ৰিয় বন্ধুসকলে দিয়া বৰঙণিৰ দ্বাৰাই চলোৱা হৈছে। হৰ্ষিত মনেৰে দিয়া জনক ঈশ্বৰে প্ৰেম কৰে (২ কৰিন্থীয়া ৯ঃ৭) সকলো প্ৰকাৰে - সকলো মূল্যৰে সকলো উপায়েৰে - প্ৰত্যেক প্ৰকাৰে - কিছুমানক উদ্ধাৰ কৰক (১ কৰিন্থীয়া ৯ঃ২২) (এভি)।*

*- সম্পাদক*

অন্তৰ সন্মুখীন হয়, “তেওঁবিলাকে ঈশ্বৰৰ অবিহনে থাকে। ঈশ্বৰে আমাক চাই কয়, “তুমি মোৰ দৃষ্টিত বহু মূল্য আৰু আদৰণীয় আৰু মই তোমাক প্ৰেম কৰিলোঁ; এই নিমিত্তে মই তোমাৰ সলনি মানুহবোৰক, আৰু তোমাৰ প্ৰাণৰ সলনি লোকসমূহক দিম” (যিচয়া ৪৩ঃ৪)। “তুমি মোৰ দৃষ্টিত বহুমূল্য, তুমি মোৰ দৃষ্টিত বহুমূল্য।”

প্ৰিয় ভাই/ভনী, আপুনি যি কোনো হ'ব পাৰে। জীৱিত ঈশ্বৰে কয়, “তুমি তোমাৰ বৰ্তমানৰ বেয়া অৱস্থাৰ বিষয়ে চিন্তিত নহ'বা।” আপুনি হয়তো কিছুমান সমস্যাত বা ঋণত, কিবা এটা ৰোগত ভুগিব পাৰে, বা কিবা ধৰণৰ বিদ্বেষত থাকিব পাৰে বা আপুনি বোকাত থাকিব পাৰে আৰু দ্বিতীয় দিনা আপুনি সন্মুখীন হ'বলগীয়া সমস্যাৰ বাবে নিদ্ৰাহীন চিন্তাত ভুগিব পাৰে। কিন্তু ঈশ্বৰে কয়, “কিয়নো তুমি মোৰ দৃষ্টিত মূল্যৱান আছিলা, গতিকে তোমাক আদৰণীয় কৰা হ'ল, আৰু মই তোমাক প্ৰেম কৰিলো। সেই গতিকে মই তোমাৰ সলনি মানুহবোৰক দিম আৰু তোমাৰ প্ৰাণৰ সলনি লোকসমূহক দিম।” মোৰ প্ৰিয় ঈশ্বৰৰ সন্তান, জগতে আপোনাক এজন ধৰুৱাৰ দৰে, ৰোগীৰ দৰে, দৰিদ্ৰ বা অশিক্ষিতৰ দৰে চায়, তেন্তে চাব দিয়ক। কিন্তু ঈশ্বৰে আপোনাক কয়, “কিয়নো তুমি মোৰ দৃষ্টিত মূল্যৱান আছিলা, তুমি আদৰণীয় হ'লা।”

বাছৰ পৰিচালকজনে আপোনাক এজন সাধাৰণ যাত্ৰীৰ দৰে চাব পাৰে। আপোনাৰ ডাক্তৰে আপোনাক এজন ৰোগীৰ দৰে চাব পাৰে। কিন্তু প্ৰভু যীচুৱে কয়, “তুমি মোৰ মূল্যৱান পুত্ৰ, তুমি মোৰ মূল্যৱান জীয়াৰী।”

এতিয়াই আপুনি নিজকে ঈশ্বৰলৈ সমৰ্পন কৰক। আমাৰ প্ৰভু ঈশ্বৰে আপোনাক শুদ্ধ সোণলৈ পৰিণত কৰিব। কিছুমান মানুহে তেওঁবিলাকৰ সকলো শাৰীৰিক শক্তি হেৰুৱাৰ পাছতহে সমৰ্পন কৰে। তেওঁবিলাকে মূল্যৱান বছৰবোৰক হেৰুৱাই দিয়ে। যেতিয়া আপুনি স্বাস্থ্যৱান আৰু বলবান হৈ আছে তেতিয়াই ঈশ্বৰৰ ৰাজ্যক খোজক। যি ভূমিত আপুনি ভৰি দিব সেই ভূমি আপোনাৰ হ'ব। হিতোপদেশ ২৮ঃ২০ পদে কয়, “বিশ্বাসীলোকে অনেক আশীৰ্বাদ পায়।”

মোৰ এই কিছুমান বাক্যৰ সৈতে মই শেষ কৰিব বিচাৰোঃ এবাৰ মই মোৰ পালক, চাম. সুন্দা ৰামক পুৰাচাৰাক্কামৰ (চেন্নাই) পৰা ১৫ কিঃ মিঃ দূৰত থকা মোৰ ঘৰলৈ নি আছিলো। মোৰ হাতত কেৱল ৩ টকা ২০ পইচা আছিল। যেতিয়া মই ভাড়া কৰি লৈ যোৱা গাড়ীখন এগমোৰ গৈ পালে, মিটাৰত ৩ টকা ২০ পইচা দেখুৱালে। এইটো কেৱল আধা বাটহে গৈ পাইছিল। মই মোৰ পালকক গাড়ীৰ পৰা নামি মোৰ ঘৰলৈকে খোজকাঢ়ি বলক বুলি ক'মনে? মই মোৰ হৃদয়ত কান্দি কান্দি প্ৰাৰ্থনা কৰি আছিলো। গাড়ীখনে বৰ দ্ৰুত গতিত গৈ আছিল। কিন্তু এটা আচৰিত ঘটনা ঘটিল, ৩ টকা ২০ পইচা দেখুৱাৰ পাছত মিটাৰটো বন্ধ হৈ গৈছিল। মোৰ ঘৰলৈকে গৈ পোৱালৈকে সেই একেই মূল্য দেখুৱালে। গাড়ী চালকজনে মিটাৰটোলৈ চাই আচৰিত হৈ থাকিল। তেওঁ আচৰিত হৈ ভাবিছিল কিদৰে কেৱল ৩ টকা ২০ পইচা হ'ল, কিয়নো গাড়ীখনে বহুত দূৰলৈকে চলি আহিছিল। মই গাড়ী চালকজনক ক'লো, “এগমোৰৰ পৰা মিটাৰটো কাম কৰিবলৈ বন্ধ কৰি দিছিল। চিন্তা নকৰিব। আপোনাৰ যিমান খৰচ হ'ল সকলো ভাড়া মই বহন কৰিম। কিন্তু মোৰ হাতত কেৱল ৩ টকা ২০ পইচা আছিল। “মই মোৰ হাত ঘড়ীটো খুলি চালকজনক দি ক'লো,. “মই চেন্নাইত থাকো। দ্বিতীয়বাৰ আপোনাক লগ পালে, বাকী টকাটো দি মোৰ ঘড়ীটো ঘূৰাই ল'ম।” সম্পূৰ্ণ ভাড়া কিমান হ'ব পাৰে বুলি মই তেওঁক সুধিলো।

গাড়ীচালকজনে মোৰ হাত ঘড়ীটো গ্ৰহণ নকৰিলে। তেওঁ মোক সুধিলে, “আপুনি এজন খ্ৰীষ্টিয়ানলোক নেকি?” তেওঁ মোক খোৱা পানী বিচাৰি খালে আৰু সেই ৩ টকা ২০ পইচা নোলোৱাকৈ গুচি গ'ল। মই মোৰ ঈশ্বৰক প্ৰেম কৰো। গতিকে তেওঁ মোৰ বাবে আচৰিত কাৰ্য্য কৰিলে। কিছু বছৰৰ পাছত, সেই ভাড়া মৰা চালকজন মোৰ ঘৰলৈ আহিছিল। সেই সময়ত, তেওঁ মোৰ ঘৰৰ সন্মুখত এখন নতুন ‘এম্বেচেডৰ’ গাড়ী ৰৈ থকা দেখিলে। তেওঁ আচৰিত হৈ মোক সুধিলে, “যেতিয়া আপোনাৰ এখন ধুনীয়া গাড়ী আছে, মোৰ গাড়ীত আপুনি কিয় যাত্ৰা কৰিছিল?” “মই তেওঁক ক'লো, “সেই সময়ত মই দৰিদ্ৰ আছিলা। মোৰ হাতত ৩ টকাতকৈ অধিক নাছিল। এতিয়া মোৰ ঈশ্বৰে মোক আশীৰ্বাদ কৰিছে আৰু তুলিছে।”

“বিশ্বাসীলোকে অনেক আশীৰ্বাদ পায়। যেতিয়া গাড়ী ভাড়া দিবলৈ মোৰ হাতত টকা নাছিল। প্ৰভু ঈশ্বৰে মোক এখন নতুন বাহনৰ মালিক বনায় দিলে। বাইবেলত কয়, “সেই গতিকে মই তোমাৰ সলনি মানুহবোৰক দিম আৰু তোমাৰ প্ৰাণৰ সলনি লোকসমূহক দিম।” ঈশ্বৰে কয়, “কিয়নো তুমি মোৰ দৃষ্টিত মূল্যৱান, তোমাক আদৰণীয় কৰা হ'ল।”

ঈশ্বৰে আপোনালৈ বহুত ভাল ভাল লোকক পঠাব। আপোনাৰ স্বাস্থ্য বিষয়ে আৰু আপোনাৰ আনন্দৰ বিষয়ে মানুহ খবৰ ল'বলৈ আহিব। আপোনাৰ হাতৰ পৰিশ্ৰমৰ ফলেৰে, আপুনি অনেক মানুহলৈ আহাৰ যোগাব। আপোনাৰ মুখৰ বাক্যৰে বহুত মানুহে সান্ত্বনা পাব। যিদৰে চাকৰবিলাকে কিবা পোৱাৰ আশাৰে গৰাকীৰ মুখলৈ চাই থাকে, তেনেকৈ বহুত মানুহে আপোনাৰ মুখলৈ চাই থাকিব। ঈশ্বৰে আপোনাক নেজৰ দৰে নবনায়, কিন্তু মূৰৰ দৰে বনাব। তেওঁ আপোনাক তললৈ যাব নিদিব, কিন্তু আপুনি ওপৰলৈ যাব। তেওঁ তোমাৰ প্ৰাণৰ সলনি লোকসমূহক দিব। মই মোৰ যৌৱন কালত নিজকে পবিত্ৰ কৰি ৰখাৰ বাবে, ঈশ্বৰে এতিয়া মোক আশীৰ্বাদ কৰি ৰাখিছে।

আপুনি ঈশ্বৰৰ দ্বাৰাই পূৰ্বে নিৰ্ধাৰিত হৈছে আৰু তেওঁৰ দ্বাৰাই মনোনীত হৈছে। “আপুনি যে তেওঁৰ ৰাজকীয় পৰিয়াল” হয় তাকে দেখুওৱাবলৈ তেওঁৰ ওচৰত এটা মহৎ চিন আছে।

১৯৭১ চনৰ ২২ জুনত, মই যেতিয়া চেন্নাই চহৰৰ ফুটপাথত বহি আছিলো, মোৰ ভোক লাগিছিল। আটাই দোকানবোৰ বন্ধ আছিল আৰু তেতিয়া দুজন আৰক্ষী মোৰ ওচৰলৈ আহি ক'লে, “উঠা আৰু আমাৰ লগত আহা”। তেওঁলোকে নাজানিছিল যে “মই ৰাজকীয় পৰিয়ালৰ অধীনত আছো।” তেওঁলোকে মোক সুধিলে, “এই ২ বজা নিশাত তুমি ইয়াত কিয় বহি আছা?” মই উত্তৰ দি ক'লো, “মোৰ ইয়াত কোনো নাই, কিন্তু মোৰ ঈশ্বৰে মোক ইয়ালৈ আনিছে।”

তাৰে এজন আৰক্ষীয়ে মোক ক'লে, “ঠিয় হোৱা থানালৈ ব'লা”। তেতিয়া আনজন আৰক্ষীয়ে ক'লে “ৰ'ব, যেতিয়া মই তেওঁৰ মুখলৈ চাওঁ, মোৰ বোধহয় তেওঁ এটা ভাল পৰিয়ালৰ পৰা আহিছে। তেওঁক চাওঁতে এটা চোৰ বা নিচা আসক্ত লোক যেন নালাগে। গতিকে তেওঁক ইয়াতে এৰি থৈ যাওঁহক।” তেওঁলোকে মোক এটা ভাল সাক্ষ্য দি গুচি গ'ল।

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**২০২১ চনৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ২০২১ চনৰ ১৮ মাৰ্চলৈ**

## প্ৰশংসাৰ বিষয়সমূহ

ফেব্ৰুৱাৰী ১৯ ঃ আমাৰ দেওবৰীয়া উপাসনাবিলাকক ঈশ্বৰে আশীৰ্বাদ কৰিলে।

ফেব্ৰুৱাৰী ২০ ঃ ঈশ্বৰে আমাৰ মুখ্য আৰু শাখা মণ্ডলীবিলাকক বিশ্বাসীসকলৰ সৈতে আশীৰ্বাদ কৰিলে।

ফেব্ৰুৱাৰী ২১ ঃ আমাৰ মুখ্য মণ্ডলীত আমাৰ মহিলাসকলৰ সভাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

ফেব্ৰুৱাৰী ২২ ঃ আমাৰ সমৰ্থনকাৰী সকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো, যিসকলে আমাক প্ৰাৰ্থনা আৰু সাহাৰ্য্য আগবঢ়াই।

ফেব্ৰুৱাৰী ২৩ ঃ ঈশ্বৰে আমাক ১৬ টা ভাষাত ছপাশালত প্ৰকাশ কৰিবলৈ আৰু মিশ্বন ক্ষেত্ৰলৈ পঠিয়াবলৈ আশীৰ্বাদ কৰি আছে।

ফেব্ৰুৱাৰী ২৪ ঃ মণিপুৰী নামেৰে এটি নতুন ভাষালৈ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিখন আৰম্ভ কৰাত ঈশ্বৰে আমাক সহায় কৰিলে।

ফেব্ৰুৱাৰী ২৫ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিক আৰু চাৰিটা ভাষালৈ বৃদ্ধি কৰাৰ আমাৰ যি দৰ্শন তাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৬ ঃ আমাৰ সকলো সহকাৰী সম্পাদকসকলৰ আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৭ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিক আৰু চাৰিটা ভাষালৈ বৃদ্ধি কৰাৰ আমাৰ যি দৰ্শন তাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৮ ঃ আমাৰ মুখ্য মণ্ডলীৰ পুৰুষসকলৰ সভাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

মাৰ্চ ১ ঃ যোৱা মাহত ঈশ্বৰে আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যা বিলাকৰ সকলো কাৰ্য্যক্ৰমত আশীৰ্বাদ কৰিলে।

মাৰ্চ ২ ঃ আমাৰ মিশ্বন ক্ষেত্ৰৰ পৰা আমি ভাল ৰিপৰ্টসমূহ পাই আছো।

মাৰ্চ ৩ ঃ আমাৰ ঈশ্বৰে আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো দুষ্ট শক্তিৰ পৰা নিৰাপত্তা দি আহিছে।

## প্ৰাৰ্থনা বিষয়বস্তুসমূহ

মাৰ্চ ৪ ঃ এই মাহত ঈশ্বৰে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাবোৰৰ বাবে প্ৰয়োজনীয় ধন যোগালে।

মাৰ্চ ৫ ঃ পৃথিৱীৰ সকলো দেশৰ পৰা কৰ'ণা নিৰ্মূল হ'বলৈ প্ৰাৰ্থনা কৰক।

মাৰ্চ ৬ ঃ শোকাতুৰ পৰিয়ালৰ বাবে প্ৰাৰ্থনা কৰক যিসকলে কৰ'ণা জ্বৰত ভুগি তেওঁবিলাকৰ প্ৰিয়জনক হেৰুৱালে।

মাৰ্চ ৭ ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক, ভাই এম. পৌলৰাজৰ সম্পূৰ্ণ সুস্থতাৰ বাবে নিৰন্তৰে প্ৰাৰ্থনা কৰোহক।

মাৰ্চ ৮ ঃ আমাৰ মিশ্বন ক্ষেত্ৰত থকা কৰ্মীসকলৰ বাবে আমি প্ৰাৰ্থনা কৰোহক।

মাৰ্চ ৯ ঃ পৃথিৱীৰ সকলো আত্মিক চলাওতাসকলক বাবে আহক আমি প্ৰাৰ্থনা কৰোহক।

মাৰ্চ ১০ ঃ মহিলা আৰু শিশুসকলৰ ওপৰত হোৱা অত্যাচাৰৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১১ ঃ আহক আমি প্ৰাৰ্থনা কৰোহক আমাৰ মণিপুৰী ভাষাৰ সহকাৰী সম্পাদক ৰেভাঃ ড° ঋষিকান্ত চৰুখাইবামৰ বাবে।

মাৰ্চ ১২ ঃ ঈশ্বৰে আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাবোৰৰ বাবে উৎসৰ্গিত কৰ্মীসকলক পঠিয়াওক।

মাৰ্চ ১৩ ঃ সকলো খ্ৰীষ্টিয়ান অনুষ্ঠানসমূহৰ বাবে আমি প্ৰাৰ্থনা কৰোহক।

মাৰ্চ ১৪ ঃ আমাৰ সহকাৰী পৰিচালক আৰু পালক সকলক ঈশ্বৰে নতুন শক্তি প্ৰদান কৰক।

মাৰ্চ ১৫ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহকসকল, বিশ্বাসী অংশীদাৰসকল, জীৱনজোৰা অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গৰ বাবে আহক আমি প্ৰাৰ্থনা কৰোহক।

মাৰ্চ ১৬ ঃ আমাৰ পৰিচৰ্য্যাসমূহৰ বাবে আৰ্থিক সাহাৰ্য্যৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১৭ ঃ কভিড'-১৯ চলি থকাৰ সময়ছোৱাত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাবোৰৰ সকলো কাৰ্য্যক্ৰমত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

মাৰ্চ ১৮ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক সকলো প্ৰকাৰৰ অমঙ্গলৰ পৰা একেবাৰে নিৰাপত্তা দি ৰাখক।

"তোমালোক মোৰ বহুমূল্য পুত্ৰ। তোমালোক বহুমূল্য জীয়াৰী" এইদৰে ঈশ্বৰে কয়। ঈশ্বৰে আপোনাক হাজাৰ হাজাৰ লোকসমূহক দিব। পৃথিৱীৰ লোকসমূহে আপোনাৰ ভাল আৰু বেয়া সময়তো সহায় কৰিব। তেওঁলোকে আপোনাক শুভেচ্ছা দিব আৰু প্ৰশংসাও কৰিব। ঈশ্বৰৰ বাক্যই কয়, "ভয় নকৰিবা, মই তোমাক উদ্ধাৰ কৰিলো, মই তোমাৰ নাম লৈ তোমাক আহ্বান কৰিছো। তুমি মোৰ হোৱা।" তুমি সেই অপব্যয় পুত্ৰৰ দৰে নহ'বা। তেওঁ পলমকৈ "মই ৰাজকীয় তেজৰ অধীন হওঁ"ৰ অৰ্থক বুজি পালে। এতিয়াই অবগত হওক। আপুনি ৰাজকীয় পৰিয়ালৰ অধীনত আছে। বাইবেলত কয়, "কিন্তু যি জনাই আধাৰৰ পৰা তেওঁৰ আচৰিত পোহৰলৈ তোমালোকক আমন্ত্ৰণ কৰিলে, তোমালোকে যেন তেওঁৰ সদগুণ প্ৰকাশ কৰা, এই কাৰণে তোমালোক মনোনীত বংশ, ৰাজকীয় পুৰোহিতসমূহ, পবিত্ৰ জাতি আৰু ঈশ্বৰৰ নিজ অধিকাৰৰ অৰ্থে এক বিশেষ লোক হৈছা" (১ পিতৰ ২:৯)। আপুনি এজন বিশেষ লোক হয়। ঈশ্বৰে তেওঁৰ স্বৰ্গদূতক আপোনাৰ ওপৰত দায়িত্ব দিব আৰু আপোনাক ৰক্ষা কৰিব।

আমাৰ ঈশ্বৰে আপোনাক তেওঁৰ চকুৰ মণিৰ দৰে চাই আছে। তেওঁ আপোনাক চাব যাতে আপোনাৰ ভৰিয়ে শিলত খুন্দা নাখায়। তেওঁ আপোনাৰ সকলো যোগাই দিব। আজি যদি আপুনি কিবা এটা বিষয়লৈ ভয় খাই আছে, মানুহৰ কথালৈ কাণ নিদিব। জগতে আপোনাক ভয় দেখুৱাব। ঈশ্বৰে কি কয় তাকে শুনক; "ভয় নকৰিবা মই তোমাক উদ্ধাৰ কৰিলো; মই তোমাৰ নাম মাতি তোমাক আমন্ত্ৰণ কৰিলো; তুমি মোৰ হোৱা।

এতিয়া আপুনি আপোনাৰ হাতখনক বুকুত ৰাখি কওক, "মই যীচুৰ হওঁ।" তেওঁ আপোনাক তেওঁৰ চকুৰ মণিৰ দৰে ৰক্ষা কৰিব। আপোনাৰ জীৱনৰ সকলো প্ৰয়োজন বস্তুক তেওঁ যোগাব, তেওঁ আপোনাক লোকসমূহক দিব।

যেতিয়া আমি ১৬ টা ভাষাত পৰিচৰ্য্যা কৰি আছো, ঈশ্বৰে মোক ক'লে, "তুমি আন এটা ভাষা কোৱা লোকসকললৈ পৰিচৰ্য্যা কৰা।" এইটো কি ভাষা হ'ব পাৰে তাক মই জনা নাছিলো। মণিপুৰৰ পৰা এজন পালকে মোৰ কাষ চাপি ক'লে, "মণিপুৰৰ পৰা আমি আপোনাৰ আলোচনী প্ৰকাশ কৰিবলৈ সাজু আছো। আপুনি অনুগ্ৰহ কৰি আমাক অনুমতি দিয়ক।" ঈশ্বৰে আচৰিত ধৰণে আমাৰ 'তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি' আলোচনীখন মণিপুৰী ভাষাত প্ৰকাশ কৰাত সহায় কৰিলে। এতিয়া ঈশ্বৰে পৰাক্ৰমেৰে মণিপুৰতো কাৰ্য্য কৰি আছে।

এইদৰে ঈশ্বৰৰ বাক্যই কাৰ্য্য কৰে। কেতিয়াও তেওঁৰ বাক্য অথলে নাযাব। "তোমাৰ প্ৰাণৰ সলনি, লোকসমূহক দিম।" হয়, মোৰ প্ৰিয়জন। ঈশ্বৰলৈ আপোনাৰ প্ৰতিশ্ৰুতিৰ ফলস্বৰূপে ঈশ্বৰে আপোনাক বিভিন্ন ভাষা কোৱা লোক আৰু বিভিন্ন সাংস্কৃতিৰ লোকসমূহক দিব। তাকেই আমাৰ ঈশ্বৰে আমালৈ প্ৰতিজ্ঞা কৰিছে।

আপোনালোক ঈশ্বৰৰ লোক হয়। আপুনি তেওঁক নিজৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছে। আপুনি তেওঁৰ সন্তান হয়। আপুনি তেওঁৰ দয়া আৰু প্ৰেমক গ্ৰহণ কৰিছে। আপুনি মাতৃৰ গৰ্ভত থকাৰ সময়ত তেওঁ আপোনাক মনোনীত কৰিছে। তেওঁ আপোনাক কিছুমান পৰাক্ৰমৰ কাৰ্য্য কৰিবলৈ ব্যৱহাৰ কৰি গৈ আছে। "তুমি জলসমূহৰ মাজেদি গমন কৰিলে মই তোমাৰ লগত থাকিম, আৰু তুমি নদীবোৰৰ মাজেদি গ'লে সেইবোৰে তোমাক তল নিনিয়াব; আৰু জুইৰ মাজেদি চলিলে তুমি দগ্ধ নহ'বা, তাৰ শিখাই তোমাক নুপুৰিব।" "তুমি মোৰ মূল্যৱান পুত্ৰ; তুমি মোৰ মূল্যৱান জীয়াৰী।" ঈশ্বৰে আমাৰ পৰিচৰ্য্যা দেখি আনন্দিত হয়। ঈশ্বৰে আপোনালৈ চাই কয়, "তুমি মোৰ মূল্যৱান পুত্ৰ, তুমি মোৰ মূল্যৱান জীয়াৰী।"

যিকোনো ক্ষেত্ৰত নিজকে সীমাবদ্ধ নকৰিব। মনত ৰাখিব আপুনি ৰাজকীয় পৰিয়ালৰ বংশ হয়। যিদৰে সেই অপব্যয় পুত্ৰই, 'মই ৰাজকীয় তেজৰ বংশ হওঁ" বুলি অৰ্থটোক বুজি পাই নিজৰ ভুল স্বীকাৰ কৰিলে আৰু পিতৃৰ ওচৰলৈ ঘূৰি গ'ল, একেদৰে আপুনিও আজি পাপ স্বীকাৰ কৰক। অনুগ্ৰহ কৰি বুজি পাওক যে যীচুৰ তেজ আমাৰ শৰীৰৰ ভিতৰত চলি থাকে। আমি তেওঁৰ তেজৰ ভিতৰৰ দুৰ্গলৈ আহিছো। কোনো অনিষ্ট আপোনাৰ ওচৰলৈ নাহিব। আপোনাৰ জীৱনত উত্তম কাৰ্য্য ঘটিব। আপুনি আনক ধাৰলৈ দিব। কিন্তু আপুনি ধৰুৱা নহ'ব। পবিত্ৰ পিতৃ তোমাক ধন্যবাদ দিওঁ। ঈশ্বৰে যিহকে ক'ব সেয়ে ঘটিব। "আৰু উপযুক্ত সময়ত তোমালোকক যেন উন্নত কৰে, এই কাৰণে নিজক তেওঁৰ পৰাক্ৰমী হাতৰ অধীনত নত কৰা (১ পিতৰ ৫:৬)

****

## ফিল্ড ৰিৰ্পোট

সৰ্বপ্ৰথমে আমি (পাঞ্জাবৰ পৰা আমাৰ আটাই মাৰাৰদো পৰিয়ালবৰ্গ) আপোনালোকক ২০২১ নৱবৰ্ষত আমাৰ ত্ৰাণকৰ্তা, প্ৰভু যীচু খ্ৰীষ্টৰ পবিত্ৰ আৰু পৰাক্ৰমী নামত অতিকৈ উষ্ম শুভেচ্ছা জনাইছো।

আপোনাৰ পৰা ই-মেইল পাই আৰু ইয়াত থকা আশীৰ্বাদৰ উৎসাহজনক বাক্যবোৰ পাই মই ব্যক্তিগত ভাৱে আনন্দিত হৈছো আৰু আশীৰ্বাদপ্ৰাপ্ত অনুভৱ কৰিছো। এই বাক্যবিলাকে প্ৰভু ঈশ্বৰত আৰু তেওঁৰ পবিত্ৰ বাক্যত বিশ্বাস কৰিবলৈ আৰু অধিক শক্তিশালী হ'বলৈ সঁচাকৈয়ে আমাক প্ৰেৰণা যোগাইছে।

আমি দুয়ো (মই আৰু মোৰ ভাৰ্যা নিলম কৌৰ মাৰাৰদো) আপোনালোকক জনাবলৈ সন্তোষ অনুভৱ কৰিছো যে ২০২০ চনৰ ডিচেম্বৰ মাহত প্ৰভু যীচুৱে তেওঁৰ বিষয়ে অজ্ঞাত থকা নতুন লোকসমূহৰ মাজত ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আমাক ব্যৱহাৰ কৰিলে।

এই অধিক/শীতল বতৰ/ঘন শীতৰ সময়ত আমাৰ পাঞ্জাৱ ৰাজ্যৰ বিভিন্ন ঠাইত/জিলাত ১৪ টা প্ৰাৰ্থনা সভাত ঈশ্বৰৰ পবিত্ৰ বাক্য প্ৰচাৰ কৰাত ঈশ্বৰে আমাক সহায় কৰিলে। সকলো প্ৰশংসা আৰু মহিমা তেওঁৰ নাম (যীচু) লৈ আগবঢ়াইছো।

আমাৰ স্বৰ্গীয় পিতৃ প্ৰভু ঈশ্বৰলৈ ধন্যবাদ দিওঁ আৰু প্ৰশংসা কৰো, কিয়নো তেওঁ আমাৰ সকলো দুৰ্দশাৰ সময়ত সান্ত্বনা দিয়ে, যাতে যিকোনো সমস্যাৰ সময়ত আমি তেওঁলোকক সান্ত্বনা দিব পাৰো ( ২ কৰিন্থীয়া ১:৩-৪) আৰু দৈনিক জয়যাত্ৰাত আমাক সহায় কৰিব পাৰে।

আপোনালোকে ১৯৬৯ চনৰ পৰা আন্তৰিকতাৰে প্ৰভুৰ পৰিচৰ্য্যা কৰি আছে তাৰ বাবে, আপোনাৰ বাবে, আপোনাৰ পৰিয়ালৰ বাবে আৰু পৰিচৰ্য্যাৰ বাবে আমি একেৰাহে প্ৰাৰ্থনা কৰি আছো। মই নিশ্চিত যে, প্ৰভু ঈশ্বৰে প্ৰভু যীচুৰ নামত সকলো প্ৰয়োজনীয় বস্তুবোৰক যোগাব। তেওঁৰ ৰাজ্যত কোনো অভাৱ নাই। আমি তেওঁত আৰু তেওঁৰ পবিত্ৰ বাক্যত সম্পূৰ্ণ ভাৰসা ৰাখো। তেওঁ অসম্ভৱ বিষয়ক সম্ভৱপৰ কৰিবলৈ যোগ্য হয় কোনো কাৰ্য্য তেওঁৰ বাবে কঠিন নহয় বা অসম্ভৱ নহয়।

ৰেভা : চানচেৰ সিং মাৰাৰদু, পাঞ্জাব

# তেওঁৰ সকলো ধাৰ্মিকতা পৰিপূৰ্ণ কৰিবলৈ

টিবিৰিয়া কৈচৰৰ পঞ্চদশ ৰাজত্ব কালত বা আমাৰ বৰ্তমানৰ তাৰিখৰ মতে প্ৰায় ৩০ খৃষ্টাব্দত, জখৰিয়াৰ পুত্ৰ আৰু ইলিছাবেথলৈ প্ৰভুৰ বাক্য আহিছিল (লুক ৩ঃ১-১৩)। তাৰ পাছত তেওঁ পাপ স্বীকাৰ আৰু বাপ্তিস্মৰ বিষয়ে প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ নাম আছিল যোহন। তেওঁক “বাপ্তিষ্ট” বা “বাপ্তিষ্টদাতা” বুলি কোৱা হৈছিল। যৰ্দন নদীৰ চাৰিও প্ৰান্তৰ পৰা বহুত মানুহে আহি তেওঁৰ বাক্য শুনিলে আৰু পাপ স্বীকাৰ কৰিলে। পাপ স্বীকাৰত পূৰ্বৰ পাপবিলাকৰ বাবে ঐশ্বৰিক দুখ অনুভৱ কৰা বিষয়টো অন্তৰ্ভুক্ত থাকে (২ কৰিন্থীয়া ৭ঃ১০) আৰু ঐশ্বৰিক পথবোৰত চলিবলৈ এটা নিৰ্ধাৰিত পৰিৱৰ্তনো থাকে। (পাঁচনিৰ কৰ্ম ৩ঃ১৯;২৬ঃ২০)। মন পালটন কৰাৰ পাছত, তেওঁবিলাকে পাপ স্বীকাৰ কৰিলে আৰু যোহনে তেওঁবিলাকক যৰ্দন নদীত বাপ্তিস্ম দিলে (মথি ৩ঃ৫-৬)। “বাপ্তিস্ম দিয়া” বা “বাপ্তিস্ম লোৱা” শব্দটোৱে পানীত তেওঁলোকৰ সম্পূৰ্ণ ডুব দিয়াক বুজায়।

“তেতিয়া যীচু, যোহনৰ দ্বাৰাই বাপ্তাইজিত হ’বলৈ, গালীলৰ পৰা যৰ্দনলৈ তেওঁৰ ওচৰলৈ আহিল। কিন্তু যোহনে তেওঁক নিবাৰণ কৰি ক’লে, আপোনাৰ দ্বাৰাই বাপ্তাইজিত হ’বৰ মোৰ আৱশ্যক; এনে স্থলত আপুনি মোৰ ওচৰলৈ আহিছে নে? কিন্তু যীচুৱে উত্তৰ দি তেওঁক ক’লে, এতিয়া হ’বলৈ দিয়া; কিয়নো এইদৰে সকলো ধাৰ্মিকতা সিদ্ধ কৰা আমাৰ উচিত। তেতিয়া সেইদৰে হ’বলৈ দিলে” (মথি ৩ঃ১৩-১৫)।

জগতৰ আত্মিক ত্ৰাণকৰ্তা মচীহাৰ বাবে পথ যুগুত কৰিবলৈ যোহনৰ উদ্দেশ্য আছিল (লুক ৯ঃ২৯ আৰু মলাখী ৩ঃ১)। যীচুত থকা বিশেষ গুণক স্বীকাৰ কৰি, যীচুৱে তেওঁক বাপ্তিস্ম দিয়া হ’লে ভাল আছিল বুলি যোহনে ভাবিছিল। যীচুৱে বাপ্তিস্ম ল’বলৈ অনুৰোধ কৰা বিষয়টো যোহনৰ এটা বিপৰীত চিন্তা হৈছিল। কিন্তু যীচুৱে ঈশ্বৰৰ ইচ্ছাক জানিছিল। তেওঁ জানিছিল যে জনসাধাৰণৰ মাজত পৰিচৰ্য্যা কৰাৰ পূৰ্বে, তেওঁ বাপ্তিস্ম লোৱাটো আৱশ্যক (লুক ৩ঃ২১-২১)। সকলো ধাৰ্মিকতা পৰিপূৰ্ণ কৰিবলৈঃ তেওঁ যোহনক ইয়াৰ কাৰণ দৰ্শালে। গতিকে যোহনে যীচুক যৰ্দন নদীত বাপ্তাইজিত কৰিলে। কিন্তু প্ৰকৃততে যীচুৱে কোৱা বাক্যবোৰে কি বুজাইছিল? তেওঁৰ মুকলি পৰিচৰ্য্যা আৰম্ভ কৰাৰ সময়ত, সকলো ধাৰ্মিকতা পৰিপূৰ্ণ কৰিবলৈ যীচুৱে অন্ততঃ দুটা গুৰুত্বপূৰ্ণ বিষয় সাধন কৰিলে।

## যীচুখ্ৰীষ্ট ঈশ্বৰৰ বাধ্য হ’ল

যেতিয়া উপযুক্ত সময় আহিল, ঈশ্বৰে তেওঁৰ পুত্ৰক জগতলৈ পঠালে, কেৱল মোচিৰ বিধানৰ মতে চলা যিহুদীবিলাকক ৰক্ষা কৰিবলৈ নহয়, কিন্তু সকলো লোকসমূহৰ বাবে পঠাইছিল (যোহন ৩ঃ১৬; ৰোমীয়া ৪ঃ৭; ৫ঃ২; গালাতীয়া ৪ঃ৪; ইব্ৰী ২ঃ৯-১০)। এজন পাপহীন বলিদানৰ দৰে জগতৰ পাপ নিওতা হৈ যীচুৱে ঈশ্বৰৰ পৰিকল্পনাক সিদ্ধ কৰাৰ বাবে (মথি ৫ঃ১৭, যোহন ৬ঃ৩৮-৪০; গালাতীয়া ১ঃ৪); ১ পিতৰ ২ঃ২৪; ১ যোহন ৩ঃ৫)। এইদৰে কৰিবলৈ হ’লে, বিধানৰ মতে তেওঁ শুদ্ধ হ’ব লাগিব আৰু ঈশ্বৰলৈ বাধ্যতাৰ প্ৰতি শুদ্ধ হ’ব লাগিব (ইব্ৰী ৫ঃ৮-৯; ১ পিতৰ ১ঃ১৮-১৯)। যীচুৱে তেওঁলোকক তেওঁক ঈশ্বৰে পঠোৱাৰ ইচ্ছাৰ বিষয়ে ক’লে (যোহন ৪ঃ৩৪; ১৪ঃ৩১;১৫ঃ১০; ইব্ৰী ১০ঃ৯)। তেওঁ ঈশ্বৰৰ কাৰ্যক সিদ্ধ কৰিলে (যোহন ৯ঃ৪); আৰু পিতৃয়ে যি যি বাক্য ক’বলৈ বিচাৰিছিল, সেই বাক্যবোৰকেই তেওঁ কৈছিল (যোহন ১২ঃ৪৯-৫০)। আনকি তেওঁ মৃত্যুলৈকে আজ্ঞাধীন হ’ল (ফিলিপীয়া ২ঃ৮), তেওঁৰ পুনঃৰুত্থান আৰু ঈশ্বৰৰ অনুগ্ৰহত তেওঁৰ আজ্ঞাধীনৰ দ্বাৰাই (পাঁচনিকৰ্ম ১ঃ২২; ৰোমীয়া ৩ঃ২৪-২৫; ৬ঃ৫-১১; ইফিচীয়া ২ঃ৫-৮; ১ পিতৰ ১ঃ৩-৪), সকলো পুৰুষ আৰু মহিলালৈ পৰিত্ৰাণ যোগালে (ৰোমীয়া ৫ঃ১৯-২১); ২ কৰিন্থীয়া ৫ঃ১৫; গালাতীয়া ৩ঃ৭-৮; ইব্ৰী ৫ঃ৮-৯; তীত ২ঃ১১।

যীচু বিশ্বাসী আছিল আৰু আছে আৰু তেওঁও পাপ নাই (ইব্ৰী ২ঃ১৭; ৩ঃ২; ৪ঃ১৫; ১ পিতৰ ২ঃ২২) তেওঁ পাপবিহীন হৈ থকাৰ বাবে তেওঁৰ বাপ্তিস্মৰ আগতে পাপৰ প্ৰায়শ্চিতৰ আৱশ্যক নাছিল। কিন্তু তেওঁৰ বাপ্তিস্মৰ আৱশ্যক আছিল। আমি চাওঁ যে এইটো বহু বিষয়ত গুৰুত্বপূৰ্ণ আছিল। তেওঁ সকলো ধাৰ্মিকতা পৰিপূৰ্ণ কৰিবলৈ নেৰানেপেৰা চেষ্টা কৰিছিল। যীচুৰ বাপ্তিস্মৰ পাছত, যোহন বাপ্তিস্মদাতাজনো যীচুক ঈশ্বৰৰ পুত্ৰ হয় বুলি সাক্ষ্য দিলেঃ

“পাছদিনা তেওঁৰ ওচৰলৈ যীচুক অহা দেখি, তেওঁ ক’লে, জগতৰ পাপ নিওতা ঈশ্বৰৰ মেৰ পোৱালীক চোৱা; যি জনাৰ বিষয়ে মই ক’লো যে মোৰ পাছত এজন মানুহ আহিছে, তেওঁ মোতকৈ আগ হ’ল, কিয়নো মোৰ পূৰ্বেও তেওঁ আছিল, সেইজনা এৱেঁই আৰু তেওঁক মই নিচিনিলোঁ; কিন্তু ইস্ৰায়েল লোকৰ আগত তেওঁ প্ৰকাশিত হ’বলৈ, মই পানীত বাপ্তাইজ কৰি আহিলোঁ আৰু যোহনে সাক্ষ্য দি ক’লে, আকাশৰ পৰা আত্মাক কপৌৰ নিচিনা নামি, তেওঁৰ ওপৰত থকা দেখিলোঁ। মই তেওঁক নিচিনিলো; কিন্তু যিজনাই মোক কৈছিল, তুমি যি জনৰেই ওপৰত আত্মাক নামি থকা দেখিবা, পবিত্ৰ আত্মাত বাপ্তাইজিত কৰোঁতা তেৱেঁই আৰু মই তাকে দেখি, এওঁ যে ঈশ্বৰৰ পুত্ৰ হয়, তাৰ সাক্ষ্য দিলোঁ। (যোহন ১ঃ২৯-৩৫)।

তথাপি, অতি তাৎপৰ্যপূৰ্ণভাৱে, যেতিয়া পবিত্ৰ আত্মা তেওঁৰ ওপৰত নামি আহিল আৰু যেতিয়া পিতৃ ঈশ্বৰে সাক্ষ্য দিলে, যে তেওঁ যীচুৰ সৈতে সন্তুষ্ট হৈছে, ইয়াত আমি তেওঁৰ বাপ্তিস্মৰ গুৰুত্বপূৰ্ণটো দেখি পাওঁঃ “পাছে যীচু বাপ্তাইজিত হৈ, তেতিয়াই পানীৰ পৰা উঠিল আৰু চোৱা, স্বৰ্গৰ দুৱাৰ তেওঁলৈ মুকলি হ’ল, আৰু ঈশ্বৰৰ আত্মাক কপৌৰ নিচিনা নামি আহি, নিজৰ ওপৰত পৰা দেখিলে আৰু চোৱা, এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট, এহ আকাশী বাণী হ’ল” (মথি ৩ঃ১৬-১৭; মাৰ্ক ১ঃ১০-১১; লূক ৩ঃ২১-২২)। যীচু খ্ৰীষ্ট আজ্ঞাকাৰী হোৱাৰ যোগেদি সকলো ধাৰ্মিকতাক পৰিপূৰ্ণ কৰিলে। তেওঁৰ বাপ্তিস্মত আন এটা লক্ষ্যপ্ৰাপ্ত হৈছিল, যিয়ে তেওঁৰ সকলো ধাৰ্মিকতাক পৰিপূৰ্ণ কৰিলে।

## যীচুখ্ৰীষ্টই আমাক উদাহৰণ দিলে

তেওঁৰ বাপ্তিস্মৰ (ডুব) দ্বাৰাই যীচুৱে আমাক এক উদাহৰণ দিছিল যাক আমি অনুসৰণ কৰিব লাগিব। প্ৰথমে, আমি বুজিব লাগিব যে খ্ৰীষ্ট কেৱল মানৱ জাতিৰ বাবেই মৃত্যু হৈছিল এনে নহয় কিন্তু তেওঁ মৃত্যুৰ পৰাও জী উঠিছিল (মথি ১৬ঃ২১; ২৮ঃ৫-৭; পাঁচনিৰ কৰ্ম ১ঃ৩; ২ঃ২৩-২৪, ৩১-৩২)। তেওঁৰ পুনৰুত্থানৰ পাছত যীচুৱে ঈশ্বৰৰ সোঁহাতত স্থান ল'বলৈ স্বৰ্গলৈ উঠিছিল (মাৰ্ক ১৬ঃ৯; যোহন ২০ঃ১৭; পাঁচনিৰ কৰ্ম ২ঃ৩২-৩৬; ৭ঃ৫৫; ৰোমীয়া ৮ঃ৩৪; ইফিচীয়া ১ঃ২০; ইব্ৰী ৮ঃ১; ১২ঃ২; ১ পিতৰ ৩ঃ২২)। গতিকে যীচুৰ মৃত্যু হৈছিল, তাৰ পাছত পুনৰুত্থিত হৈছিল আৰু ঈশ্বৰৰ সোঁ হাতত বহিবলৈ গৈছিল।

সেইটো এটা অনন্ত জীৱনলৈ আত্মিক পুনৰুত্থানৰ আৰম্ভণি আছিল। যীচুখ্ৰীষ্ট মৃত্যুৰ পৰা প্ৰথম জন্ম আছিল (কলচীয়া ১ঃ১৮; প্ৰকাশিত বাক্য ১ঃ৫)। তেওঁৰ পুনৰুত্থানৰ প্ৰথম ফল হয় (১ কৰিন্থীয়া ১৫ঃ১৯-২৩) আৰু তেওঁ আমাক সকলোকে অনন্ত জীৱন দিয়ে (পাঁচনিৰ কৰ্ম ২৬ঃ২৩)। ৰোমীয়া ৬ঃ৩-১৪ আৰু ১ পিতৰ ৩ঃ১৮-২১ পদত, তেওঁৰ মৃত্যু আৰু পুনৰুত্থানৰ মাজত সম্পৰ্ক আৰু আমাৰ পাপময় জীৱনৰ আত্মিক মৃত্যু আৰু আমাৰ আত্মিক পুনৰুত্থানৰ মাজত থকা সম্পৰ্কক দেখি পাওঁ। আমাৰ পাপৰ পুৰণি মানুহজনক পানীত মৈদাম (ডুব) দিয়া হ'ল আৰু পানীৰ পৰা ওলাই অহাটো হৈছে আমাৰ ঐশ্বৰিক নতুন জীৱনৰ পুনৰুত্থান হয়ঃ "আৰু তোমালোকৰ বাপ্তিস্মত তেৱেঁ সৈতে মৈদামত থোৱা হ'ল, আৰু সেই বাপ্তিস্মতেই মৃতবিলাকৰ মাজৰ পৰা তেওঁক তোলা ঈশ্বৰৰ কাৰ্য সাধনত যি বিশ্বাস তাৰ দ্বাৰাই তেৱেঁ সৈতে তোলাও হ'লা। তোমালোকৰ অপৰাধত আৰু মাংসৰ অচুন্নতত মৃত যি তোমালোক, তোমালোকক তেৱেঁ সৈতে ঈশ্বৰে জীয়ালে; বাস্তৱিক তেওঁ আমাৰ সকলো অপৰাধ ক্ষমা কৰিলে" কলচীয়া ২ঃ১২-১৩; ৩ঃ১-৪; ইব্ৰী ৯ঃ১৪-১৫; ১০ঃ১৯-২৫; তীত ২ঃ১১-১৪ পদত চাওঁক)।

খ্ৰীষ্টই বাপ্তিস্মৰ বিষয়ে এইদৰে কৈছিল যে নতুন জন্মৰ বাবে এজন মানুহে পানী আৰু আত্মাত জন্ম ল'ব লাগে। (যোহন ৩ঃ৩-৫)। ৰক্ষা পাবলৈ, পানীত বাপ্তিস্ম লোৱাৰ যোগেদি, নতুন আত্মিক জীৱন আমি পুনৰ নতুন জনম ল'ব লাগে আৰু যেতিয়া আমাত গ্ৰহণ কৰিববলৈ পবিত্ৰ আত্মাক গ্ৰহণ কৰো (পাঁচনিৰ কৰ্ম ২ঃ৩৮; ১ কৰিন্থীয়া ৬ঃ১৯)। বাপ্তিস্ম তেওঁৰ মৃত্যু, মৈদাম আৰু পুনৰুত্থানৰ সাদৃশ্য হয়।

তেওঁৰ শাৰীৰিক মুকলি পৰিচৰ্যাক আমি এইদৰে এটা দিশত গণ্য কৰিব পাৰোঃ বাপ্তিস্মৰ যোগেদি মৃত্যু, মৈদাম আৰু পুনৰুত্থানৰ দৰে এটা আৰম্ভণি হৈছিল আৰু তেওঁৰ প্ৰকৃত মৃত্যু, মৈদাম আৰু পুনৰুত্থানৰ সৈতে এই উদাহৰণৰ শেষ হৈছিল। তাৰ পাছত তেওঁ স্বৰ্গলৈ উঠি গ'ল। তেওঁ আমাৰ বাবে আগৰণুৱা হৈ স্বৰ্গৰাজ্যৰ পথ দেখুৱাই। (ইব্ৰী ৬ঃ২০) আৰু সেই পথটিক আমালৈ উৎসৰ্গিত কৰিলে (ইব্ৰী ১০ঃ১৯-২০)। তেওঁ আমাৰ বিশ্বাস আৰু অনন্তকলীয়া পৰিত্ৰাণৰ লেখক হয় (ইব্ৰী ৫ঃ৯; ১২ঃ২)।

যদি আমাক পৰিত্ৰাণ লাগে তেতিয়া হ'লে আমি সেইদৰে চলিব লাগিব। আমি তেওঁৰ উদাহৰণবোৰ পালন কৰিব লাগে। যীচু নিষ্পাপ আছিল, গতিকে তেওঁক মন পালটন বা পাপ স্বীকাৰৰ আৱশ্যক নাছিল। তেওঁ কেৱল সকলো ধাৰ্মিকতাক পৰিপূৰ্ণ কৰিববলৈ বাপ্তিস্মৰহে প্ৰয়োজন আছিল। যিকি নহওঁক আমি বিশ্বাস কৰিবই লাগিব (যোহন ১ঃ১২; ৮ঃ২৪; পাঁচনিৰ কৰ্ম ১৬ঃ৩১; ১ কৰিন্থীয়া ১ঃ২১; গালতীয়া ৩ঃ২২; ইব্ৰী ১০ঃ৩৯; ১১ঃ৬)। আমি আমাৰ পাপবোৰৰ পৰা মন পালটন কৰিব লাগিব (লুক ১৩ঃ৫; ২ কৰিন্থীয়া ৭ঃ১০; ২ পিতৰ ৩ঃ৯)। আমি যীচুখ্ৰীষ্টত আমাৰ বিশ্বাসত স্থিৰ হৈ থাকিব লাগে (মথি ১০ঃ৩২; ৰোমীয়া ১০ঃ৯-১০)। আৰু আমি যীচুখ্ৰীষ্টই দিয়া আজ্ঞা পালন কৰি বাপ্তিস্ম (ডুব) ল'ব লাগিব (মথি ২৮ঃ১৮ ২০; মাৰ্ক ১৬ঃ১৬; পাঁচনিৰ কৰ্ম ২ঃ৩৮-৪২; ৮ঃ১২; ১০ঃ৪৮; ১৬ঃ৩৩; ২২ঃ১৬; ৰোমীয়া ৬ঃ৩৩; ১ কৰিন্থীয়া ১২ঃ১৩; গালাতীয়া ৩ঃ২৬-২৯)। বাপ্তিস্মৰ পাছত অন্তিম পুনৰুত্থান, যেতিয়া আমি খ্ৰীষ্টৰ সৈতে স্বৰ্গলৈ যাম তাৰেই আশা কৰি আমি ঐশ্বৰিক জীৱন-যাপন কৰিববলৈ চেষ্টা কৰি থাকিব লাগিব (যোহন ৫ঃ২৮-২৯; ১ কৰিন্থীয়া ১৫ঃ৪২-৫৮; গালাতীয়া ৫ঃ৫; ফিলিপীয়া ১ঃ২০; ৩ঃ৯-২১; কলচীয়া ১ঃ৫, ২৭; ১ থিচলনীকীয়া ৪ঃ১৩-১৮; ইব্ৰী ৩ঃ৬)।

তেওঁৰ মুকলি পৰিচৰ্যাৰ আৰম্ভণিত যীচুখ্ৰীষ্টই সকলো ধাৰ্মিকতাক পৰিপূৰ্ণ কৰিববলৈ বাপ্তিস্ম লৈছিল। এইদৰে কৰাৰ দ্বাৰাই তেওঁ ঈশ্বৰৰ আজ্ঞা পালন কৰিলে। তেওঁ আৰু তেওঁৰ পিতৃয়ে আমাক পালন কৰিবৰ বাবে উদাহৰণ দিছিল। পৃথিৱীত তেওঁৰ পৰিচৰ্যাৰ শেষ কালত, তেওঁ সকলো ধাৰ্মিকতা পৰিপূৰ্ণ কৰিলে। যদি আমি তেওঁ সকলো ধাৰ্মিকতা পৰিপূৰ্ণ কৰিলে। যদি আমি তেওঁ আমাৰ বাবে কৰা বলিদানৰ পৰা লাভৱান হ'ব বিচাৰো তেন্তে আমি তেওঁৰ উদাহৰণবোৰ পালন কৰিব লাগিব আৰু বাধ্য হ'ব লাগিব (১ পিতৰ ১ঃ১৪)।

"যিবিলাকে মোক প্ৰভু প্ৰভু বোলে, তেওঁবিলাক সকলোৱে যে স্বৰ্গৰাজ্যত সোমাব, এনে নহয়; কিন্তু যিজনে স্বৰ্গত থকা মোৰ পিতৃৰ ইচ্ছা পালন কৰে, সেইজনহে সোমাব" (মথি ৭ঃ২১)। "এতেকে যদি খ্ৰীষ্টে সৈতে তোলা হ'লা, তেন্তে ঈশ্বৰৰ সোঁহাতে, যি ঠাইত খ্ৰীষ্ট বহি আছে, ওপৰত থকা সেই ঠাইৰ কথা বিচাৰিবা" (কলচীয়া ৩ঃ১)।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| Account Name | : | ECHO OF HIS CALL EDUCATIONAL TRUST |
| Account Number | : | 10232923805 |
| Bank Name | : | STATE BANK OF INDIA |
| Branch | : | TRIPLICANE, CHENNAI - 600 005 |
| IFSC Code No. | : | SBIN0000249 |



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## যীচু খ্ৰীষ্টই কৈ আছে !

এইটো ১৯৮২ চনৰ বৰ্ষ আছিল ! ঈশ্বৰৰ অনুগ্ৰহ কেতিয়াও পৰিৱৰ্তন নহয়!! তেওঁৰ আহ্বানো কেতিয়াও পৰিৱৰ্তন নহয়!!! "কিয়নো ঈশ্বৰৰ যি অনুগ্ৰহৰ বৰ আৰু আমন্ত্ৰণ, সেয়ে খেদহীন" (ৰোমীয়া ১১ঃ২৯)। কিন্তু পৰিস্থিতিটো মোৰ বিপৰীতে আছিল। মই থাকিবলৈ কোনো উপযুক্ত ঠাই পোৱা নাছিলো। কোনোৱে সহায় কৰা নাছিল। পৰিচৰ্য্যাক বিৰুদ্ধ কৰা হৈছিল। মোৰ প্ৰতি ঘৃণা আৰু হেঁচা কৰা হৈছিল। আৰ্থিক অৱস্থা বৰ কষ্টকৰ আছিল। মোক সহায় কৰা লোকৰ অভাৱ আছিল আৰু মোৰ কথাও কোনোৱেই শুনা নাছিল। ওচৰৰ বেৰত এইদৰে লিখা আছিল ঃ "ধৰ্ম পৰিৱৰ্তন কৰা তস্থু মানুহ! অ মানুহবিলাক সাৱধান হওক!!"

মই হেৰাই যোৱাৰ দৰে দিশহীন অৱস্থাত আছিলো আৰু কি কৰো কি নকৰো অৱস্থাত পৰিছিলো। মোৰ মনলৈ কিছুমান নিৰুৎসাহজনক বাক্য আহিলঃ "তোমাৰ বিৰুদ্ধে যোৱা এই ঠাইখনক এৰি, এই চহৰৰ পৰা ২৫ কিলোমিটাৰ আঁতৰলৈ গুছি যোৱা। সময় খৰচ নকৰিবা।" তাত মোৰ একেধৰণৰ বিৰুদ্ধে আৰু পৰামৰ্শবোৰ আহিছিল। গতিকে মই সিদ্ধান্ত ল'বলৈ বাধ্য হ'লো।

এবাৰ নিশাৰ সময়ত মই দুখত আছিলো আৰু মোৰ টোপনি অহা নাছিল। আৰু মোক কিবা পৰামৰ্শ দিবলৈ কোনো নাছিল। মোৰ চাৰিওফালে থকা লোকবিলাকে মোৰ বিপৰীতে চিন্তা কৰিছিল। মোৰ চাৰিওফালে থকা লোকবিলাকে মোৰ কথা শুনাৰ অৱস্থাত নাছিল আৰু মোক উপযুক্ত উত্তৰ দিবলৈ তেওঁলোকৰ মানসিকতাও নাছিল। গতিকে মই পুৱা ৪ বজাৰ পৰা আঁঠু লৈ প্ৰাৰ্থনা কৰিবলৈ সিদ্ধান্ত ল'লো।

যদিও মই অতি ৰাতিপুৱাৰ পৰা আঁঠু লৈ আছিলো মোৰ সমস্যাবোৰৰ হেঁচাত পৰি থকাৰ বাবে মোৰ মুখৰ পৰা কোনো বাক্য ওলাই অহা নাছিল। যি কি নহওক মোৰ অন্তৰখন জীৱিত প্ৰভু যীচু খ্ৰীষ্টৰ সৈতে আছিল। মই কল্পনা কৰিব পাৰিছিলো যে মোৰ মাত স্বৰ্গলৈ গৈ পাইছে আৰু প্ৰভুৱে মোৰ নিবেদনক হাঁহি মুখেৰে গ্ৰহণ কৰিছে আৰু কাৰ্য্য কৰিবলৈ আৰম্ভ কৰিছে।

মই বুজি নাপালো যে কিদৰে সময় অতিবাহিত হৈ গ'ল! আহাৰ বা পানীৰ বাবে মোৰ প্ৰয়োজন হোৱা নাছিল! কিন্তু সেই একেদিনা সন্ধ্যা ৫ টা বজাত মোৰ বন্ধু আৰু আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইংৰাজী সহকাৰী সম্পাদক ভাই, এম, পৌলৰাজ মোৰ ওচৰলৈ আহিছিল। সেই সময়তো মই আঁঠু লৈ আছিলো, যেতিয়া তেওঁ অহাৰ মাত শুনিলো, মই তেওঁক লগ পাবলৈ বাহিৰলৈ ওলাই আহিলো।

যদিও মই শাৰীৰিকভাৱে আৰু মানসিকভাৱে দুৰ্বল হৈছিলো, মোৰ মুখখন উজ্জ্বল হৈ আছিল। মোৰ উজ্জ্বল আৰু সতেজ মুখখন দেখি, তেওঁ কৈছিল, "হে ভাই, তোমাক দেখাত সতেজ লাগিছে কিয়? কিবা ভাল খবৰ আছে নেকি? মই তেওঁক ক'লো যে, মই আজি পুৱা ৪ বজাৰ পৰা আঁঠু লৈ প্ৰাৰ্থনা কৰি আছিলো কিয়নো এটা বিষয়ে মোক বহুত দিনৰ পৰা হেঁচা দি আছিল। সমস্যাবোৰৰ হেঁচা পৰাৰ বাবে মোৰ মুখৰ পৰা বাক্যবোৰ ওলোৱা নাছিল, কিন্তু মই মোৰ মনত ঈশ্বৰলৈ প্ৰাৰ্থনা কৰি আছিলো।

আমাৰ কথা-বতৰা চলি থকাৰ সময়ত তেওঁ অকস্মাতে এষাৰ কথা ক'লে, "ভাই, আমাৰ প্ৰভুৱে আপোনাৰ বাবে কিমান যে ভাল কাৰ্য্য কৰিছে। আমি দুয়ো এখন গ্ৰাম্য স্কুলত অধ্যয়ন কৰিছিলো কিন্তু ঈশ্বৰে আপোনাক চেপাকলৈ আনিলে, আমাৰ ৰাজ্যৰ মুখ্য কেন্দ্ৰ কাৰ্য্যালয়ৰ ওচৰতে থকা এটা ঠাইলৈ। তেওঁ আপোনাক তেওঁৰ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ এনে ধৰণৰ এটা কষ্টকৰ নতুন ঠাইত আনি ৰাখিছে। ই এটা আচৰিত বিষয় নহয় নে?" যিচয়া ২ঃ৩ পদ আৰু মীখা ৪ঃ২ পদত কয় যে, "...কিয়নো চিয়োনৰ পৰা ব্যৱস্থা আৰু যিৰূচালেমৰ যিহোৱাৰ বাক্য ওলাব।" গতিকে, এই প্ৰান্তত আৰু পৃথিৱীৰ সকলো প্ৰান্তত আপোনাৰ যোগেদি ঈশ্বৰে জীৱিত পোহৰ দিবলৈ গৈ আছে। কি যে আচৰিত কথা! মোৰ সমস্যাবোৰৰ সমাধান দিবলৈ উপযুক্ত সময়ত ঈশ্বৰে তেওঁৰ এই সন্তানজনক আনিছিল আৰু ঈশ্বৰে মোৰ প্ৰাৰ্থনাৰ উত্তৰো দিলে।

ঈশ্বৰৰ প্ৰিয় সন্তানসকল, আপুনিও কষ্টৰ পৰিস্থিতিৰ মাজেদি যাবলগীয়া হৈ আছে নে? নিৰুসাহ নহ'ব। আনকি অৰণ্যতো, ঈশ্বৰে হাগাৰৰ কষ্টকৰ অৱস্থাক দেখিছিল। "তেতিয়া ঈশ্বৰে ল'ৰাটিৰ মাত শুনিলত, ঈশ্বৰৰ দূতে আকাশৰ পৰা মাতি ক'লে, হেৰা হাগাৰ, তোমাৰ কি হ'ল? ভয় নকৰিবা; কিয়নো তেনে অৱস্থাত থকা ল'ৰাটিৰ মাত ঈশ্বৰে শুনিলে" (আদি পুস্তক ২১ঃ১৭ পদ)। প্ৰাৰ্থনাত লাগি থাকক, ঈশ্বৰে আপোনাৰ জীৱনত উত্তম কাৰ্য্য কৰিব! "কিয়নো অৱশ্যে পুৰস্কাৰ আছে আৰু তোমাৰ আশা ছেদ কৰা নহ'ব" (হিতোপদেশ ২৩ঃ১৮)।

****

## এটি প্ৰিয় অনুৰোধ

আপোনালোকে জানে যে আমি বহুত ধৰণৰ অভাৱত পৰি ভীষণ হেঁচাত আছো যেনে - কৰ্মচাৰীসকলৰ বাবে দৰমহা আৰু কাগজ, কলম কিনাৰ খৰচ আৰু যাত্ৰাৰ খৰচ বহুত আছে। সাধাৰণতে আমি কেতিয়াও কাৰোপৰা আৰ্থিক সহায় নিবিচাৰে। কিন্তু এতিয়া যিবিলাকে আমাৰ এই পৰিচৰ্যাত প্ৰকৃততে সমৰ্থন জনাই আৰু প্ৰেম কৰে তেওঁলোকলৈ আমাৰ এটি বিনম্ৰ অনুৰোধ তেওঁলোকৰ দান আৰু বৰঙণি আমাৰ এই পৰিচৰ্যাত সহায় কৰিবলৈ মণি অৰ্ডাৰ, চেক বা ডিমাণ্ড ড্ৰাফ্‌ট, ফোনৰ যোগেদি বা এন.ই. এফ.টিৰ যোগেদি বা আন কোনো পদ্ধতিৰে আমালৈ পঠিয়াই যেন। ঈশ্বৰে আপোনাক নিশ্চয় আশীৰ্বাদ কৰিব। সবিশেষ জানিবলৈ ফোন কৰক- +91 98412 71858 / 98410 71858

— সম্পাদক
তেওঁৰ আহবানৰ প্ৰতিধ্বনি

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/21-23 WPP NO. TN/PMG(CCR)/WPP-262/21-23

# ECHO OF HIS CALL

**Monthly magazines in 16 languages, Bible Colleges, Postal Courses, Church Planting, Village English High School, Gospel Printing Press, Crusades, Seminars, Social Services, etc.**

**Annual Subscription : Rs. 100/- Life Subscription : Rs. 2000/-**

The multifarious activities of **Echo of His Call Ministry** is supported by the free-will offerings and donations of the God's Children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us. Whenever you change your postal or e-mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our websites also. You can read it by going into the site as well as downloading it and get blessed.

Your letters, prayer requests and your financial helps (by D.D., Cheque, M.O. etc.) to **ECHO OF HIS CALL** may be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, Mohammed Abdullah 2nd Street, Chepauk,
Chennai - 600 005, India
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766,
**CELL : (+91) 95661 31858 / 98410 71852**
E-mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.echoofhiscall.com

**YOU CAN SEND YOUR DONATIONS ON ONLINE ALSO**

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEADQUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR -** Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikaans.
4. Nehemiah Bible Colleges (Two Centres)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 5.30 a.m. , 7.00 a.m. & 10.00 a.m. Sunday**
14. **Malayalam Service : 2.00 p.m. Sunday**
15. **Telugu Service : 4.00 p.m. Sunday**
16. **Hindi Service : 5.00 p.m. Sunday**
17. **English & Tamil Service : 6.00 p.m. Sunday**
18. Pastors' Counselling : 4.00 p.m. Sunday
19. Women's Prayer : 5.30 p.m. Wednesday
20. Mid-week Bible study : 6.30 p.m. Wednesday
21. Men's Prayer : 7.00 p.m. Friday
22. Workers' Meeting : 6.00 p.m. Saturday
23. House Meetings : 6.30 p.m. Monday & Tuesday
24. Special Holy Communion : 5.30 a.m. 1st day of each month
25. Ministers Review Meeting : 5.30 p.m. First Saturday
26. Parents' Prayer : 4.00 p.m. First Sunday
27. Night Prayer : 9.30 p.m. Second Friday
28. Fasting Prayer : 9:30 a.m. Third Saturday
29. Holy Communion : Second Sunday Services
30. Morning Devotion : 5.30 a.m. daily
31. Staff Devotion : 9.00 a.m. daily
32. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

**RNI NO. TNASS/2000/2335**
**Postal Regn. No. TN/CH/(C)/204/21-23**
**WPP NO. TN/PMG(CCR) / WPP- 262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th FEBRUARY 2021**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957,**
**Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**